# ব্যৰ্থ

বন্দনা মেধী
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

বাতৰিখনৰ হেড্‌লাইনটো পঢ়িয়েই তাই চিঞৰি উঠিল বলিয়াৰ দৰে। সচাঁই জীয়াই থকাৰ প্ৰয়োজন আৰু নাই তাইৰ এতিয়া। কি দোষ কৰিছিল বাৰু তাই, যাৰ বাবে ভগৱানে এনেদৰে পৰীক্ষা ল'লে?

ঘৰৰ একমাত্ৰ ছোৱালী আছিল তাই। তাই মানে কৃষ্ণাংগী। দুজন ককায়েক আৰু মাক দেউতাকৰ আলাসৰ লাডু। দেউতাকৰ চাকৰি সূত্ৰে বিভিন্ন ঠায়ে ঠায়ে ঘূৰি ফুৰিবলগীয়া হৈছিল বাবে ককায়েক দুজনক দায়িত্ব দিছিল কৃষ্ণাৰ ভাল বেয়াৰ গুৰুত্ব দিবলৈ। খুব মৰম কৰিছিল ককায়েক দুজনেও। ডাঙৰ ককায়েক দেবাংগই উচ্চতৰ মাধ্যমিক পৰীক্ষাত অসমৰ ভিতৰত ষষ্ঠ হৈ উত্তীৰ্ণ হৈছিল। যাৰ বিপৰীতে সৰু ককায়েক অভিৰাজে মেট্ৰিকৰ দেওনাখনকে পাৰ হ'ব নোৱাৰিলে। অভি হ'ল বৰকুছি সমষ্টিৰ বিধায়ক গৌতম কাকতিৰ সোঁহাত স্বৰূপ। আৰু কৃষ্ণা? উচ্চতৰ মাধ্যমিক পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ কোনোমতে স্নাতকৰ দেউনাখন পাৰ হোৱাৰ নাম ক'ব পৰা হৈছে। তথাপিও তাই ঘৰৰ মৰমৰ। ওঠৰ বছৰ বয়সতে কত যে মানুহ বিয়াৰ প্ৰস্তাৱ লৈ কৃষ্ণাহঁতৰ পদুলি গছকিলে হিচাপ নাই। কিন্তু ডাঙৰ ককায়েক দেবাংগই কৃষ্ণাৰ বিয়াৰ কথা শুনিলেই সিংহৰ দৰে গৰজি উঠে— "তাইৰনো বয়স কিমান?"

সময়ৰ লগে লগে মানুহ পৰিবৰ্তন হয়। দুটা বছৰৰ ভিতৰতে দেউতাক এসময়ৰ প্ৰখ্যাত অভিযন্তা কমল বৰুৱা আৰু মাক মৃদুলাই ইহ সংসাৰ ত্যাগ কৰিলে আকস্মিকভাৱে। ডাঙৰ ককায়েক দেবাংগই বিয়া কৰাই পত্নী আৰু ল'ৰা এজনৰ সৈতে দিল্লীৰ স্থায়ী বাসিন্দা হ'ল। নামী চিকিৎসক তেখেত বৰ্তমান। এবছৰ ছমাহৰ মূৰত ভায়েক ভনীয়েক হালৰ খবৰ লয়। কেতিয়াবা আকৌ নলয়।

যোৱাবাৰ আহোতে কৃষ্ণা আৰু অভিক পৈতৃক সম্পত্তিৰ এটি গুৰু অংশ তাক লাগে বুলি ধমকি দি গ'ল। কিয়? মানুহ ইমান পৰিবৰ্তনশীল নে?

বহুবাৰ মানা কৰিছিল কৃষ্ণাই সৰু ককায়েক অভিক মিটিংখনলৈ যাবলৈ। কিন্তু সি নুশুনিলে। বন কৰা তিৰোতাজনীৰ কৃষ্ণাৰ দায়িত্ব দি সি ৰাতিটোৰ বাবে ওলাই গ'ল। প্ৰথমে সি গৌতম কাকতিৰ ঘৰলৈকে যোৱা হ'ল। তেওঁৰ লগত মিটিঙলৈ যাব ইলেকচনৰ সময়তো। কৃষ্ণাই অৱশ্যে তাইৰ জীয়াই থকাৰ প্ৰেৰণা আৰু সকলো কামতে উৎসাহ যোগোৱা তাইৰ প্ৰেমিক উৎপলক সেইদিনা নিমন্ত্ৰণ নকৰাকৈ থকা নাছিল। কিন্তু সি ক'লে যে তাৰ হেনো সেইদিনা ডাঙৰ কাম এটা আছে, যিটোৰ পিছত সি কৃষ্ণাৰ বিয়া পাতিব। খুব সহজতে মান্তি হ'ল কৃষ্ণাও।

ভনীয়েকক ৰাতিয়ে ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দি যোৱা অভি ৰাতিপুৱা দহ বজালৈকে ঘূৰি নহা দেখি কৃষ্ণাৰ চিন্তা লাগিল। কোনোদিনে ককয়েকে কৃষ্ণাক দিয়া প্ৰতিশ্ৰুতি লংঘন কৰা নাই। সেয়েহে ৰখা তিৰোতজনীক উৎপল আৰু ককায়েক অভিৰ বাবে ভাত ৰান্ধিবলৈ কৈ কৃষ্ণা ৰাওনা হ'ল আঠ কিলোমিটাৰ দূৰত্ব থকা বিধায়ক কাকতিৰ ঘৰলৈ ককায়েকৰ উমান পাবলৈ। বাছৰ পৰা নামিয়ে কৃষ্ণাই 'পূৰ্ণিমা ষ্টোৰ' নামৰ কিতাপৰ দোকানখনত বান্ধৱী গীতাক দেখি সোমাই গ'ল। তাইৰ লগত দুই এষাৰ কথা পতাৰ পিছত ওচৰতে থকা পেপাৰখন খুলি চকু ফুৰালে— "উগ্ৰপন্থীৰ গুলিত নিহত নিৰপৰাধী যুৱক।" হেডলাইনটো তাই কেবাবাৰো পঢ়িলে। তাৰ পিছত পেপাৰখনৰ একাষে পিন্ধিয়া পিঠিকৈ থকা উৎপল আৰু অভিৰ মৃতদেহ আৰু একাষে পেপাৰত তুলি দিয়া উৎপলৰ গোটা গোটা আখৰকেইটা চিনিবলৈ কৃষ্ণাৰ বেছি সময় নালাগিল— "কৃষ্ণা, মই তোমাৰ ভাতৃহত্যাকাৰী। গৌতম কাকতিৰ মই মৰা গুলীয়ে তোমাৰ মৰমৰ ককায়েৰাক হত্যা কৰিলে। তোমাক মুখ দেখুওৱাৰ সাহস গোটাব নোৱাৰিলো। সেয়েহে ... ........। জীৱনত বিশ্বাস কাকো নকৰিবা। বিদায় ......!!!

কৃষ্ণাই মাথো চিঞৰি দিছে অৰ্থহীনভাৱে। কাৰো নাম উল্লেখ কৰা নাই তাই এই চিঞৰত। কাৰণ — পৃথিৱীত যে এতিয়া আৰু তাইৰ কোনো নাই।

# কবিতা কানন

## মই কুশলে আছোঁ, মমতা *

দীপামণি দৈমাৰী
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



মমতা, তোমাৰ চিঠিখন পালোঁ।
সেই যে তুমি মম এডাল জ্বলাই লৈ লিখা চিঠিখন ..
বাহিৰৰ উৰুঙা বতাহজাকেমমডাল আহি যে
কোবাইছিল ...
তুমি যে খিৰিকিখন জপাই দিছিলা .....
অ' মমতা, মই সেইখন চিঠিকেই পালোঁ।
যিখন চিঠিত তুমি সাত বছৰৰ আগৰ কথাবোৰ
জুকিয়াই লিখি নষ্টালজিক হৈ পৰিছিলা,
যিখন চিঠিত তুমি লিখিছিলা আকাশৰ মেঘৰ
মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাক
তৰাৰ দেশলৈ ৰিঙিয়াই মাতা দিনটোৰ কথা।
অ' মমতা, তোমাৰ চিঠিখন পাই সঁচাই ময়ো
নষ্টালজিক হৈ পৰিছোঁ।
মই যে তোমাৰ ককালৰ ৰঙা ৰিহাখনলৈ
একেথৰে চাই আছিলোঁ,
সকলোবোৰ কথাই আজি মনত পৰিছে।
আমাৰ বাবুলো ডাঙৰ হ'ল।
তুমি চাগে তাক খুউব কষ্টেৰে ডাঙৰ কৰিলা,
সি তোমাক খুউব আমনি কৰে, ন'?
সি চাগে তোমাক খুউব ধুনীয়াকৈ মা বুলি মাতে।
আৰু দেউতা?
মই কাষত নাই নহয়, সেইকাৰণে চাগে সি
দেউতা বুলি ক'ব নাজানে!
মই গৈ আছোঁ মমতা, তোমাৰ কাষলৈ উভতি গৈ
আছোঁ, তোমাৰ বগা সাজযোৰ ৰঙেৰে বোলাবলৈ।
মই ইয়াতে কুশলে আছোঁ মমতা।

অ' মমতা, মই ইয়াত কুশলে আছোঁ, তোমাৰ
থাপনাৰ চাকিগছিৰ বাবেই মই কুশলে আছোঁ।
তুমি মোৰ কাৰণে চিন্তা নকৰিবা।
তোমাৰ আৰু বাবুলৰ মৰমতে মই জীয়াই আছোঁ
অ' মমতা, মই যিদিনা উলটি যাম তোমাক
আগতীয়াকৈ জনাম দেই।
মমতা, তুমি যে কৈছিলা, মই যিদিনা উলটি
যাম তুমি ভোগদৈয়েদি ভটিয়াই আহি বুঢ়া
লুইতৰ বুকুৰপৰা মোক ৰিঙিয়াই মাতিবা।
সঁচাকৈ তুমি আহিবা দেই মোক আদৰি নিবলৈ।
তুমি আদৰি নিবলৈ আহিবা বুলি মই বাট চাই থাকিম।
পুনশ্চ তোমালৈ আৰু বাবুললৈ দূৰণিবটীয়া
চেনেহেৰে —

ইতি
তোমাৰ প্ৰিয়তম

( * হেম বৰুৱাদেৱলৈ ক্ষমা প্ৰাৰ্থনাৰে)

# ইমান ধুনীয়া তুমি কাৰ বাবে ?

নৱদ্বীপ ৰাভা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ইমান ধুনীয়া তুমি কাৰ বাবে
উৰ্বশী?
তোমাৰ সৌন্দৰ্য্যৰ অৰ্হতা তোমাৰ প্ৰতি
মোৰ ভালপোৱাৰ মাদকতা বুলি ভুল নকৰিবা।
মনেৰে তুমি ধুনীয়া হোৱানে?
দৰিদ্ৰ, নিষ্পেষিত, পদদলিতৰ কৰুণ আৰ্তনাদে
তোলেনে তোমাৰ প্ৰাণৰ বীণত
কৰুণ সুৰৰ ঝংকাৰ?
উৰ্বশী, বৰ্তমানৰ পৃথিৱী যন্ত্ৰৰ পৃথিৱী
সেয়ে স্বাৰ্থৰ উৰ্দ্ধত সৌন্দৰ্য্য নহয়।
নহ'লে হাজাৰ হাজাৰ ধুনীয়া পত্নী
যৌতুকৰ বলি নহ'লহেঁতেন।
ধুনীয়া ফুলপাহ সদায়েই
অনাঘ্ৰাতেই হৈ ৰ'লহেঁতেন।
আনহাতে,
ধুনীয়া ঘৰটো সাজিবলৈ, গাড়ীখন কিনিবলৈ
চাকৰিয়াল, ব্যৱসায়ী নামি পৰেক'লা ধনৰ বেপাৰত।
ধুনীয়া হোৱা বাবেই পৰ পুৰুষ আৰু
পৰস্ত্ৰীৰ মাজত হ'ব পাৰে অবৈধ মিতিৰালি।
দিব পাৰে মনুষ্যত্বক বিসৰ্জন।
উৰ্বশী,
মোৰ অনুৰোধ, তুমি মনেৰে ধুনীয়া হোৱা,
আৰু মনৰ সুন্দৰতাৰে পৃথিৱী সুন্দৰ কৰা।
মোকো তোমাৰ সুন্দৰতাৰ বাৰিধাৰাতে
নিৰ্মল স্বচ্ছ, নিকা পৃথিৱী এখনত
জীয়াই থাকিবলৈ দিয়া।



# আঁচোৰ

বসন্ত কুমাৰ দত্ত
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ



চাওঁতে চাওঁতে বহুদিনেই হ'ল
তোমাক লগ পোৱা নাই
কৰা নাই তোমাৰ স'তে
অন্তৰংগ অনন্য আলাপ
নিৰ্ভুল নিয়মত নচলে জীৱন
কোনে জানো দিলে এখন ছবি
য'ত অনাহক বিচাৰি ফুৰিলোঁ
শৈশৱত এৰি অহা গাঁও
বিৱৰ্তনৰ বতাহত উদ্দীপ্ত মোৰ
মোহ লগা নিমাখিত নিজান গাঁও
ৰোৱা নাই থমকি ইতিহাস
আপোন যাত্ৰাত সি সমস্ত
সমল সামৰি
দুৰন্ত গতিত বিজ্ঞান প্ৰযুক্তিৰ
অমোঘ চমৎকাৰ চকা
বিচাৰ্যৰ বিষয় হোৱা নাই তাত
কল্যাণ অকল্যাণৰ কথা
এৰা, — বহুদিন হ'ল তোমাৰে
দেখা হোৱা নাই
কৰা নাই বৰ্ণাঢ্য উচ্চাংগ আলাপ
তুমি কাষত নাই
তেনেই অৰ্থহীন আক্ষেপ কিম্বা
অনুযোগ অভিমান
ক্ষুদ্ৰতম প্ৰাপ্তি সেয়াওতো
নহয় নগণ্য
বিমূৰ্ত মিতভাষ মুখৰ ছবিক
আলফুলে সাবটিছো পৰম
সৌভাগ্য বুলি
পৰিশেষত দুচকুত অপৰাহ্নৰ
হেঙুলীয়া ৰ'দ
আৰক্ত আকাশ পথত ঘৰমুৱা
অৱসন্ন বগলীৰ জাক
আক্ৰান্ত তুমি শক্তিশালী সময়ৰ
নিৰ্মম অব্যৰ্থ আঁচোৰত
শুনা নাই সুশ্ৰাব্য সংলাপ
বিমূঢ়তাত সেয়ে কথা পাতো
নিজেই নিজৰ লগত।

# এজাক বৰষুণৰ অপেক্ষাত

চয়নিকা দাস
স্নাতক ১ম বৰ্ষ

ভেকুলীৰ বিয়া পাতি
এজাক বৰষুণৰ অপেক্ষাত
মানুহজাক বৈ আছে।
হয়তো বৰষুণ হ'বঃ
আকাশত ক'লা মেঘ
ক'লা মেঘবোৰে
পৃথিৱীক আৱৰিছে
মনবোৰ আৱৰিছে
মানুহৰ কু-বুদ্ধিয়ে
আঁতৰিবে নে কু-বুদ্ধিবোৰ?
আহিবনে এজাক বৰষুণ?
জীপাল হ'বনে বসুন্ধৰা?
হ'বনে সৎ মানুহবোৰ?



# অনুভৱ

গৌতম বড়ো
স্নাতক তৃতীয় বৰ্ষ

সপোনে দিয়া হাঁহিৰ সুবাস,
যদিও অহা নাছিলা।
তুমি মোৰ দিঠকত,
আহিছিলা তুমি। মোৰ এটি
সপোনৰ অন্তৰালত।

হৃদয়ৰ দুৱাৰ খুলি,
আৱেগৰ ৰহন সানি।
প্ৰৱেশ কৰিছিলা,
জীৱনৰ ৰঙ্গ মঞ্চত।
শেৱালি ফুলৰ দৰে,
সৌৰভ বিলাবলৈ।

বন্ধনময় পাখি মেলি,
মুক্ত আকাশত উৰিবলৈ।
তুলিছিলা তুমি মোক,
উন্মুক্ত কৰি।
মোৰ তৃষ্ণাতুৰ হিয়াখনি,
কঁপি থকা নিঠৰুৱা ওঠ যুৰিত।
আঁকি দিছিলা এটি মধুৰ হাঁহি॥

# ধন্য হে আজিৰ যুগৰ ইনা, টিনা, দিশা.......

অনুপম কলিতা
স্নাতক তৃতীয় বৰ্ষ


হাই মোৰ বাইকৰ পিঠিত উঠি চেকুৰাই ফুৰা প্ৰেমিক সত্বা
সিহঁতবোৰ যে আজিকালি উৰন্ত পখিলা
ডেট-ৰেটৰ গোন্ধতকৈ সিহঁতে যে
আজিকালি পছন্দ কৰে ঘামৰ গোন্ধ
সিহঁতে হেনো গঢ়ি তুলিব আমাৰ অসমত
"নক্সালবাদী আন্দোলন।"
গতিকে সাবধান।
কোন সময়ত হৃদয়ৰ মাজেৰে
সুমুৱাই দিয় ধনুকাৰ।
হাই প্ৰফাইল প্ৰেমিকাবোৰে
আজিকালি যেতিয়া গাৰ কাষেৰে পাৰ হৈ যায়
তেতিয়া পোৱা নাযায় তেওঁলোকৰ দুপাট্টাৰ পৰা
"First Love" অথবা "Pass port" ৰ গোন্ধ,
তাৰ ঠাইত পাওঁ আজিকালি
ভেকেটা ভেকেট কেচা মঙহৰ গোন্ধ।
তেওঁলোকে আজিকালি আৰু ওখ হ'বলৈ নিবিচাৰে
কাৰণ, তেওঁলোকে হাই হিল চেণ্ডেল পিন্ধাটো নিষিদ্ধ কৰিছে
মন্দিৰলৈ যাবলৈ আজিকালি সিহঁতে ভাল নাপায়,
তাৰ ঠাইত সিহঁতে আজিকালি কলেজ ৰডত চিঞৰে
মাৰ্ক্স, লেনিন, ষ্টেলিন আদিৰ উক্তি
জোৰ লৈ সমদল কৰা সিহঁতৰ বাবে হৈ পৰিছে "Out dated"
তাৰ ঠাইত সিহঁতে চিঞৰে 'মাও চে তুং জিন্দাবাদ'।
টংজিৰ বমডিলাৰ গাভৰুহঁতৰ দৰে আৰু সিহঁত হৈ থকা নাই
সিহঁতে শিকি পেলাইছে প্ৰতিটো মুহূৰ্তৰ বাবে বিদ্ৰোহৰ সূচনা
"Philosophy" আগত লৈয়ে সিহঁতে জীৱনটোক আগুৱাই নিছে
তথাপি যেন সিহঁতে পোৱা নাই
জীৱনৰ স্বাধীনতা।
সিহঁতে যেন আৰু .... আৰু .... মেলি দিব খোজে স্বাধীনতাৰ ডেউকা।



# শিৰোনামাত মাথো তুমি

শিৰোমণি তালুকদাৰ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

আবেগ আৰু অনুভূতি কি মধুৰ শব্দ
জানো মোৰ জীৱন পৃষ্ঠাত আছে বা নাই
যদিহে আছে, তেন্তে
তাৰ শিৰোনামত এতিয়া মাথো তুমি
বহু বিতৰ্কিত তোমাৰ নাম মোৰ মনত
বাৰ্ড ফ্লুৰ দৰেই সংক্ৰমিত তোমাৰ প্ৰসাৰতা
মনৰ অজন্তাত এতিয়া মাথো তোমাৰ ভাস্কৰ্য্য
শিল্পী মই কোন নাজানো।
মোৰ থৰ লগা দৃষ্টিত তোমাৰ প্ৰতিবিম্ব
চাই ভাগৰা নাই মোৰ চকুহাল
পাৰিলে আহিবা সপোনলৈ
আকৌ এবাৰ চকু মুদি চাই লম তোমাক
কবিতা মোৰ মাথো বাহানা
তোমাক একান্তে নীৰৱেএবাৰ চিন্তা কৰাৰ
মই বলিয়া নহয় তোমাৰ মিছা প্ৰসংশাৰ
মাথো জানো তুমি অনুপমা
খাও নেকি এটা চিগাৰেট
ধোৱাৰ সতে উলিয়াই দিও তোমাক
বতাহত জানোছা তুমি মিলি যোৱা
আৰু আগচি ধৰা মোৰ শৰীৰক
বাতৰি কাকত নহয় মোৰ ডায়েৰী
তথাপি সেইখনৰ মাজত আছে তোমাৰ বতৰা
ডায়েৰী খনৰ কোনো শিৰোনামা নাই, যদিও
তাৰ শিৰোনামাত এতিয়া মাথো তুমি।




# অপৰাজিতা

কণমনি বড়ো
স্নাতক ১ ম বৰ্ষ (কলা)

আহিনৰ পথাৰ দুবৰিত তিতি থকা সময়তে
সন্তৰ্পণে তুমি আহি মোৰ হৃদয় দুৱাৰত টুকুৰিয়ালা
তাৰ পিছত গম পালোঁ
অসমী আয়ে তোমাক হাত বাউল দি মাতিছে
তুমি গুছি গ'লা কোনোবা পাহাৰৰ
ওখ চূড়াত
বন্দুকৰ শব্দ কামানৰ ধোৱাৰ মাজত
তুমি হেৰাই গ'লা
মই থাকিলো এপাহ শুভ্ৰ অপৰাজিতাহে
আজিও মই অপেক্ষাৰত অপৰাজিতা

# জোন... ক'ত পাম তোমাৰ খবৰ

মৃদুস্মিতা ভট্টাচাৰ্য্য
উঃ মাঃ ১ ম বৰ্ষ (কলা)



জোন
তোমাক নেদেখিলে
বুকু ভাগে দুখত,
তোমাৰ খবৰ নাপালে
হিয়া দহে যন্ত্ৰণাত।
তুমিতো মিচ কল এটাও নিদিয়া
(এচ. এম. এচ.তো দূৰৰ কথা)
কেনেকৈ জানিম বাৰু
কেনে আছা তুমি
আজিও হাঁহি হাঁহি তুমি
তৰাৰ দেশৰ পৰা
মোলৈ চাই থাকানে
আজিও মোৰ কথা ভাবি
তোমাৰ দেশত তৰা বুটলানে।
কেনেকৈ বুজালে বাৰু বুজিবা
তোমাৰ অভিমানৰ সাগৰত
কেনেদৰে নিৰুদ্দেশ হয়
মোৰ ঘাঁহ বৰণীয়া আশা।
জোন!
এদিন বাৰু আহিবানে
মোৰ কলিজাৰ দুবৰীত বহি
একেলগে গাবলৈ
বিশ্বাসৰ যুগলবন্দী।
কোন দেশত মনে মনে সাজিছা
তোমাৰ প্ৰেমৰ ঘৰ
তুমি বাৰু জানানে?
তোমাৰ বাবে দুখ মোৰ ছাঁ
তোমাৰ বাবেই মই বেদুইন যাযাবৰ
জোন
ক'ত পাম বাৰু তোমাৰ খবৰ ....
কোন দিশে ঘূৰিছে
তোমাৰ জোনৰ পোহৰ।।

# শীতৰ আবেলি

অনুপম কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

শীতৰ আবেলি।
মোৰ বুকুৰেদি বৈ যায় এক নষ্টালজিক কবিতা
আঘোণীবাই পুহ মাঘৰ অনুৰোধতেই হয়তো
কাতিয়ে এৰি দিয়ে নিজৰ চৰিত্ৰ।
প্ৰত্যেকটো শীতৰ আবেলিয়ে
গাই যায় মোৰ বাবে এটি নষ্টালজিক কবিতা
কিন্তু, ক্ৰমান্বয়ে যেন, শীতৰ আবেলিবোৰ দুখী হৈ
যাবলৈ ধৰিছে
শীতৰ আবেলিৰ দুখ দেখি
নহয়তো এদিন ভিক্সিৰ মনালিছাও
হাঁহিবলৈ পাহৰি যাব .........।

(থিতাতে লিখা কবিতা প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ কবিতা)

# ক্লান্ত নদী

ৰবষা পাটোৱাৰী
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

আনাবাছা নদীৰ কেতিয়াবা ক্লান্ত ৰূপ
ৰ'দৰ প্ৰখৰতাত ৰ'দ পলসৰ ওপৰত হৃদয়
ক্লান্ত হয়...
আনাবাছা নদী ক্লান্ত হ'লে
হৃদয়ত বাজি উঠে কৰুণ শোকৰ বাঁহী
বৰ্ষাকালৰ সংহাৰ ৰূপৰ কথা মই জানো
বতাহ বলিলে নিৰ্দয় হৈ পৰে এই ক্লান্ত নদী
বতাহ বলিলে আঘাত হানে দুয়ো পাৰে
তাৰ পিছত নদী আকৌ শান্ত হৈ পৰে।
পুনৰ উজ্জল জলধাৰাৰে সহজ সুন্দৰ
গতি বেগেৰে ভৈয়ামলৈ গতি কৰে
আনাবাছা নদীৰ উজ্জলধাৰেৰে বৈ অহা সুন্দৰ
কুলু কুলু প্ৰতিধ্বনিৰে নদীয়ে
ভৈয়ামলৈ আকৌ গতি বেগ কৰে
আনাবাছা নদী ক্লান্ত হ'লে নদীৰ শব্দৰে
উচুপি উঠে মোৰ হৃদয়।

# জোনাক নিশাৰ কবিতা

অশ্ৰুমণি বড়া
স্নাতক ৩য় বৰ্ষ

নজনাকৈ এদিন হঠাৎ
মনলৈ বৰষা নামিছিল
দুচকুৰ পৰা
আন্ধাৰৰ পৃথিৱীলৈ
এটা শব্দ নোহোৱাকৈ
কোৱা হৈছিল
বহুত কথা
নিৰবধি ভাৱে বৈছিল নৈ
আৰু বাঢ়িছিল নৈৰ গভীৰতাও
আঁতৰি যাওঁ বুলি ভাবিলেও
ৰ'ব লগা হৈছিল
জোনাক নিশাৰ
গান শুনি
গানৰ সুৰত হৃদয়
ভাঙিছিল
নিসংগ জীৱনৰ সন্ধিক্ষণত
নিগৰিছিল চকুলোৰ নীৰ
অসম্ভৱ,
হয়তো ভুল
অনুভৱৰ অনুভূতি
[illegible] আবেগ
[illegible] আহিব
মনত জোনাক
জোনাক তুমি
নিশাৰ পৃথিৱীত
কবিতা হৈ মোৰ
[illegible] হৈ
সুৰতে [illegible]
জোনাক নিশাৰ
কবিতা হৈ।



# অৱসাদ

বিউতি গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ

আবেলিৰ মলয়া বতাহে
স্পৰ্শ কৰিছে ক্লান্ত কৃষকৰ গাত
দিছে চানেকী শীতলতাৰ।
প্ৰখৰ ৰ'দৰ তাপত
শৰীৰত বিৰিঙা ঘাম মচি মচি
চিন্তিত কৃষক কাই
ঘৰৰ বাবে এমুঠি যোগাৰ হ'লনে
চাউল?
পৰিকল্পনাহীন অনাগত দিনৰ
অন্তহীন অনিশ্চয়তাৰে ভৰা,
দুসাজৰ এমুঠি ক'তনো পাম
চিন্তিত কৃষক শ্ৰমিক,
হাড় ভঙা শ্ৰমেৰেও দুসাজৰ দুমুঠি
বিষন্ন হুমুনিয়াহ আহে নিগৰি
আবেলিৰ শীতল বতাহে
শ্ৰমিকৰ গাত দিছে প্ৰশান্তি।
নীলআকাশত বগাকৈ বগলী
পাখিত পাখি লগাই
জাক পাতি পাতি
ঘৰলৈ ওভতনি যাত্ৰাত
দিনৰ সকলো ভাগৰ কাতি কৰি।

# মোৰ কবিতা

নৱদীপ বাভা
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

মই কবিতা লিখো কাৰ বাবে
নীৰৱ, নিৰ্জন নিস্তব্ধতাৰ আৰে আৰে
মোৰ কবিতা প্ৰাণৰ কবিতা
মোৰ কবিতা আবেগৰ কবিতা
মোৰ কবিতাৰ প্ৰতিটো শব্দই
মোৰ কবিতাৰ প্ৰতিটো ছন্দই গায়
মানৱতাৰ জয়গান।
মইতো কবি নহওঁ, কবিতা লিখিবলৈ
এয়াতো কবিতাও নহয়,
এয়া মাথো শব্দৰ সম্ভাৰ - সুখৰ-দুখৰ,
ভগ্ন হৃদয়ত স্পন্দিত হৈ
উকা কাগজত সৰি সৰি পৰা এটি দুটি শব্দ
মাথো শব্দ।
শৰতৰে শীতৰ ৰাতি
স্নিগ্ধ জোনাকৰ পোহৰত
জোনালীৰ সতে
আঙুলি ভৰাইশেৱালী বুটলে
মোৰ কবিতাই।

# চিৰ সেউজীয়া মানুহ

কুলেন্দু বয়চৌধুৰী
প্ৰাক্তন ছাত্ৰ

জাকে জাকে অন্ধ শিশুবোৰ
চিৰ প্ৰবাহমান বোৰতী নদীৰ সোঁতৰ দৰে
তেওঁৰ কাষলৈ আহে
তেওঁ সিহঁতক অশেষ যত্ন কৰি
অন্ধতাৰ দুখৰ পৰা উদ্ধাৰ কৰে।
সেউজীয়া পৃথিৱীৰ গুপুত চিত্ৰ
তেওঁৰ বাবেই সিহঁতে দেখা পায়।
বগা আৰু কলাৰ প্ৰভেদ, অন্ন, বস্ত্ৰ, বাসস্থানৰ
সন্ধানো
তেওঁৰেই সিহঁতক দিয়ে।
সেয়ে সিহঁতে এতিয়াও তেওঁক পাহৰা নাই।
সিহঁত চিৰ কৃতজ্ঞ।
জন্ম উৎসৱত সিহত আটায়ে আহিছে
বহুতে তেওঁক বুঢ়া হোৱা বুলি ভাবে
কাৰণ তেওঁৰ বয়স এতিয়া পয়সত্তৰ বছৰ।
আগৰ দৰেই অন্ধ শিশুবোৰক
এতিয়াও তেওঁৰ পূৰ্ণ শক্তিৰে অন্ধতা নাশ কৰে
তেওঁ বুঢ়া হব নোৱাৰে
কাৰণ তেওঁ চিৰ সেউজীয়া মানুহ।

# যুৱ প্ৰজন্ম, তিনিটা প্ৰশ্ন আপুনি আৰু মই এখন্তেক...

এই শিতানত আমি বৰ্তমানৰ যুৱ-প্ৰজন্মৰ মানসিকতা তথা আধুনিক সমাজখনত উদ্ভৱ হ'ব পৰা বা ইতিমধ্যে হ'বলৈ আৰম্ভ কৰাৰ পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰাৰ মানসেৰে সমাজৰ বিভিন্নজন ব্যক্তিৰ ওচৰ চাপিছিলো তিনিটা প্ৰশ্নৰ উত্তৰ বিচাৰি।

আমাৰ প্ৰশ্ন আছিল—

১। বৰ্তমানৰ নৱ-প্ৰজন্মৰ ক্ষেত্ৰত "নৈতিকতা" বোলা শব্দটোৰ যথাৰ্থতা কিমানদূৰ প্ৰতিফলিত হোৱা বুলি আপুনি ভাবে? যদি নৈতিকতা তথা মানৱীয় প্ৰমূল্যসমূহ আজিও নৱ-প্ৰজন্মই ধৰি ৰাখিব পাৰিছে বুলি ভাবে তেন্তে তাৰ সপক্ষে যুক্তি আগবঢ়াওক। যদি পৰা নাই তাৰ বিপক্ষে আপোনাৰ মতামত দাঙি ধৰক।

২। বৰ্তমানৰ আধুনিক বাস্তৱ জগতত পুৰণি ঐতিহ্য আৰু পৰম্পৰাক নৱ-প্ৰজন্মই ধৰি ৰাখিব পাৰিছেনে? সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত যদি কিবা পৰিৱৰ্তন লক্ষ্য কৰিছে আমাক জনাওকচোন।

৩। যুৱ-প্ৰজন্মলৈ আপোনাৰ বাণী বা ক'বলগীয়া একাষাৰ। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৩ নং প্ৰশ্নটো এনেধৰণৰ—
বৰ্তমনৰ যুৱক-যুৱতী হিচাপে তুমি সমাজৰ কাৰণে কি কৰিব বিচৰা?
আমাৰ প্ৰশ্নত উত্তৰত তেওঁলোকে কি মন্তব্য আগবঢ়ালে তাৰ বুজ লওঁ আহকচোন.......

**যশস্বী কণ্ঠশিল্পী সুৰকাৰ "বিহুসম্ৰাট" খগেন মহন্তদেৱে আমাৰ সৈতে মত বিনিময় কৰিলে এনেদৰে —**

১। প্ৰশ্নোত্তৰ ঃ - অসমত আজি কিছু কালৰে পৰা নৈতিকতাৰ স্খলন এক সামগ্ৰিক কথা হৈ পৰিছে। কেৱল যুৱ প্ৰজন্মৰ মাজতে নহয়, নৈতিকতাৰ স্খলন সম্পৰ্কে সকিয়নীমূলক সাংস্কৃতিক (?) কাম কৰি ফুৰা বৰেণ্য (?) ব্যক্তিসকলৰ মাজতে নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ চৰম স্খলন বাস্তৱ ক্ষেত্ৰত পৰিলক্ষিত হৈছে। এই কু-কাৰ্যৰ প্ৰতিক্ৰিয়াৰ পৰা অসমৰ ধৰ্মীয় লোকসকল সাংবাদিক অথবা সাংস্কৃতিক লোক সকলো আক্ৰান্ত হোৱা আমি দেখা পাইছোঁ। এতেকে নৈতিকতাৰ অৱনতি আমি বেচিঁকৈ দেখা পাইছো ৰাজনীতিবিদ আৰু সাংস্কৃতিক (?) বোলা বৰেণ্য ব্যক্তিসকলৰ মাজতহে। অগ্ৰজ সকলৰ নিদৰ্শন উত্তৰ পুৰুষৰ জীৱনত প্ৰতিফলিত হোৱাটো স্বাভাৱিক। বৰ্তমানৰ এচাম যুৱক-যুৱতীৰ মাজত নৈতিকতাৰ স্খলন আৰু মানৱীয় প্ৰমূল্যৰ অৱক্ষয় আমাৰ দৃষ্টিগোচৰ হৈছে কিন্তু তাৰবাবে সম্পূৰ্ণৰূপে তেওঁলোকক দায়ী কৰিব নোৱাৰি। নিজৰ ঘৰখনতে অভিভাৱকৰ 'ক'লা ধনৰ' প্ৰতি মোহ, কৰ্ম বিমুখীতা, আত্মকেন্দ্ৰিক মনোভাৱে এই চাম যুৱক-যুৱতীৰ ওপৰত বাৰুকৈয়ে প্ৰভাব পেলায় আৰু তেওঁলোকো এটা আয়াসসিদ্ধ জীৱনৰ প্ৰতি আগ্ৰহী হৈ পৰে। দয়া-ক্ষমা, প্ৰেম ভালপোৱাৰ ঠাঁই অধিকাৰ কৰে স্বাৰ্থপৰতাই। ক্ৰোধক প্ৰেমেৰে, আসক্তিক যুক্তিৰে, অসত্যক সত্যৰ মাজেৰে, বেয়াক ভালেৰে আৰু লোভক দানশীলতাৰে জয় কৰাৰ পৰিবৰ্তে টকাৰে, বন্দুকেৰে সকলো জয় কৰাৰ প্ৰৱণতা কিছু কিছু ক্ষেত্ৰত পৰিলক্ষিত হৈছে। তাৰ বিপৰীতে আকৌ সম্প্ৰতি কালত নতুন প্ৰজন্মৰ এচামে এই কথাবোৰ উপলব্ধি কৰিবলৈ লোৱা কথাটো এক শুভ লক্ষণ। তেওঁলোকক এই কথাবোৰ যুক্তি সহকাৰে চিন্তা কৰিবৰ কাৰণে আহবান জনালো।

২। প্ৰশ্নোত্তৰ ঃ - বৰ্তমানৰ আধুনিক বাস্তৱ জগতত পুৰণি ঐতিহ্য আৰু পৰম্পৰাক নৱ প্ৰজন্মই ধৰি ৰাখিব পাৰিছে বুলিও
মই নকও আৰু সম্পূৰ্ণৰূপে উলাই কৰিছে বুলিও মই কব নোখোজো। কাৰণ আপুনি আকৌ প্ৰশ্ন কৰিছেই যে সামাজিক-সাংস্কৃতিক
ক্ষেত্ৰত কিবা পৰিবৰ্তন হৈছে নেকি? উত্তৰত কওঁ — আমোল পৰিবৰ্তন দেখা পাইছোঁ। সময় আৰু মানুহৰ অৰ্থনৈতিক পৰিবৰ্তনৰ
লগে লগে সমাজ সংস্কৃতিলৈ পৰিবৰ্তন অহাটো স্বাভাৱিক কথা। কিন্তু তাৰ মানে এইটো নহয় যে অনাকাঙ্খিক পৰিবৰ্তন অথবা
এটা জাতিৰ স্বকীয়তা বিৱৰ্জিত এক সামগ্ৰিক পৰিবৰ্তন। উত্তৰণ হে সচাঁ। কিন্তু সম্প্ৰতি কালত যি সামাজিক সাংস্কৃতিক পৰিবৰ্তন
হবলৈ লৈছে সি জাতিটোৰ অস্তিত্বৰ ক্ষেত্ৰত ভাবুকি হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ বহল ব্যাখ্যা সময়ৰ আহবান ক্ৰমে আলোচনাৰ
বাবে মুকলি কৰি ৰাখিলো। নৱ প্ৰজন্মই বহু কাম দায়বদ্ধতাৰ পৰা আঁতৰি কৰাটোৱেই সম্প্ৰতি কালত জাতিৰ সমস্যা হৈ পৰিছে।
নতুন প্ৰজন্মই সুস্থ সমালোচনাক গুৰুত্ব দিয়ক আৰু আমাৰ গৌৰৱময়, স্বৰ্ণময় স্বকীয় সংস্কৃতিক অক্ষুন্ন ৰাখি ভৱিষ্যতৰ কৰ্মপথত
বলিষ্ঠ পদক্ষেপ আগবঢ়াওক — আমি তাকেই কামনা কৰিছো।

৩। বাণী বা উপদেশ মই নিদিও, মাত্ৰ এটা কথাই কও যে নৱ প্ৰজন্মই আমাৰ জাতিটোৰ পৰম্পৰা সম্পৰ্কে, বিভিন্ন উৎসৱ
পাৰ্বনৰ তাৎপৰ্য সম্পৰ্কে কিছু হলেও অধ্যয়ন কৰক আৰু সেইবোৰক অক্ষত অৱস্থাত ৰাখিবলৈ যত্ন কৰক। অন্যথাই নিজকে সুস্থ
আৰু 'প্ৰকৃত মানুহ' হিচাপে গঢ় দিয়াত বৰ ক্ষতি হ'ব। পৰম্পৰাক উলাই কৰা মানেই নিজৰ অস্তিত্বৰ বিসৰ্জন দিয়া।

**জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষ লক্ষ্মীকান্ত শৰ্মাই আমাৰ প্ৰশ্নৰ উত্তৰ এনেদৰে দিলে —**



১) 'নৈতিকতা' এনে এটি অভিধা — কাৰোবাৰ ওপৰত ইয়াৰ প্ৰতিফলন কি তাক জোখাৰ বা বিচাৰ
কৰাৰ কাৰণে কোনো Parameter নাই। সেয়ে নৱ প্ৰজন্ম মাত্ৰেই নৈতিকতা আছে বা নৈতিকতা নাই বুলি
কব নোৱাৰি। সাধাৰণ অৰ্থত নৈতিকতা হ'ল বিভিন্ন প্ৰলোভনৰ পৰা আঁতৰি থাকি এটা সৎ বা আদৰ্শ জীৱন
যাপন কৰা। কিন্তু 'মহন্তৰ চিন মাহনিত'। ভোগবাদ সৰ্বস্ব বৰ্তমান সময়ত নৱ প্ৰজন্মৰ কথা বাদেই পুৰণা চামৰ
কিমান জনে বুদ্ধৰ দৰে জীৱন যাপন কৰি এক নৈতিক আদৰ্শ বা মানৱীয় প্ৰমূল্যবোধৰ পৰিচয় দেখুৱাব
পাৰিছে। নৱ প্ৰজন্ম একেদিনাই সৃষ্ট হোৱা বস্তু নহয়। ই মানব সমাজৰ পৰা উদ্ভুত এটা শ্ৰেণী। পুৰণা বা
অগ্ৰজ চামটোৰ ধ্যান-ধাৰণা আদৰ্শ আৰু কৰ্ম আদিৰ প্ৰতিফলন বা প্ৰভাৱ উত্তৰ চামটোৰ ওপৰত অনায়াসে
পৰে। গতিকে নৱ প্ৰজন্মৰ ওপৰত নৈতিকতাৰ প্ৰতিফলনৰ যথাৰ্থতা বিচাৰ কৰিব লাগিলে আমি অগ্ৰজ সকলৰ কৰ্মকাণ্ডৰহে
প্ৰতিবিম্ব দেখিবলৈ পাম। সেয়ে নৱ প্ৰজন্মৰ মাজত নৈতিকতা বা মানৱীয় প্ৰমুল্যবোধ নাই বুলি এেকেষাৰে কব নোৱাৰি।
মানৱীয় প্ৰমূল্যবোধ বা নৈতিকতা আজিৰ যুৱ প্ৰজন্মই ধৰি ৰাখিব পাৰিছে নে নাই সেইটো কথা আপেক্ষিক। যুৱ প্ৰজন্মৰ
এচামে এতিয়াও নৈতিকতা আৰু মানৱীয় প্ৰমূল্যবোধ ৰক্ষা কৰি আছে আৰু সেই কাৰণেই সমাজ তথা মানৱ সমাজৰ এক সুন্দৰ
ধাৰাবাহিকতা বৰ্তি আছে। নৱ প্ৰজন্মৰ মাজত নৈতিকত।বা প্ৰমূল্যবোধ ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দুটি উপাদান হ'ল
সামাজিক বাতাবৰণ আৰু নিজৰ ঘৰখনৰ পৰিবেশ। ঘৰৰ পৰা ওলায়েই সন্তানসকলে যেতিয়া বীভৎস ছবি একোখন দেখে
তেওঁলোকৰ মনত বীভৎসতাই ঠাই পাব। তদুপৰি যুৱ প্ৰজন্মক গঢ় দিয়া মূল চালিকা শক্তি যিহেতু ঘৰখনেই - সেয়ে নৈতিকতা
আৰু মানৱীয় মূল্যবোধ ৰক্ষা কৰা বা নকৰাটো ঘৰখনৰ ওপৰতে নিৰ্ভৰ কৰে। সৎ নীতি পৰায়ণ তথা আদৰ্শ ঘৰ এখনৰ সন্তান
সকলে সহজে নৈতিকতা বা মানৱীয় মূল্যবোধ বিসৰ্জন দিব নোৱাৰে।

(২) সমাজ পৰিবৰ্তনশীল। অতীতৰ যাযাবৰী জীৱনৰ পৰা আহি মানুহে আজি সভ্যতাৰ উচ্চ শিখৰত আৰোহণ কৰিছে।
এনে পৰিস্থিতিত অতীতৰ বহু পৰম্পৰা আৰু ঐতিহ্য স্বাভাৱিক
সাজ পাৰ, খাদ্য, ৰুচি-অভিৰুচিৰ অভাৱনীয় পৰিবৰ্তন সাধন হৈছে।

কাৰণতে বাদ পৰিবলৈ বাধ্য। অতীতৰ পৰম্পৰা বা ঐতিহ্যক খামোচ মাৰি ধৰি থাকিলে সমাজৰ উত্তৰণ অসম্ভৱ। সেইবুলি ঐতিহ্য আৰু পৰম্পৰাক আওকাণ কৰা বা নজনাকৈ থকাটো কেতিয়াও সমীচিন নহয়।

সময়ৰ পৰিবৰ্তনৰ লগে লগে সামাজিক আৰু সাংস্কৃতিক দিশতো ভালেমান পৰিবৰ্তন ঘটিছে। সামাজিক ক্ষেত্ৰত আগৰ কঠোৰ সামাজিক বান্ধোন, নীতি নিয়ম আদিৰ সংস্কাৰ সাধন হৈছে আৰু সাংস্কৃতিক ক্ষেত্ৰতো গীত-নৃত্য, বাদ্য আদিত বিজ্ঞান আৰু প্ৰযুক্তিয়ে অভাৱনীয় পৰিবৰ্তন আনি দিছে।

৩) নৱ প্ৰজন্মৰ সন্মুখত প্ৰত্যাহবান বহুত। 'যোগ্য ভোগ্য বসুন্ধৰা' এই কথাষাৰ মনত ৰাখি সমাজত নিজকে প্ৰতিষ্ঠিত কৰাৰ লক্ষ্য আগত ৰাখি কঠোৰ পৰিশ্ৰম আৰু সাধনাৰে নিজ গন্তব্য পথত অগ্ৰসৰ হ'ব লাগিব। তেওঁলোকে প্ৰত্যেকেই একো একোজন সু নাগৰিক হৈ সুন্দৰ সমাজ এখন গঢ়াৰ কামত ব্ৰতী হওঁক।

**জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বসন্ত দত্তৰ অভিমত এনেধৰণৰ –**

উত্তৰঃ- প্ৰশ্নটো তাৎপৰ্যপূৰ্ণ। সমাজৰ বিভিন্ন স্তৰত এই প্ৰশ্নটো সঘনাই উত্থাপিত হৈ অহা দেখা যায়। এই সংক্ৰান্তত দুই এটা কথাৰ অৱতাৰণা কৰাৰ প্ৰয়োজন। প্ৰথম কথা, নৱ প্ৰজন্মৰ ধাৰণাটো আপেক্ষিক। সকলো সময়ৰ সকলো সমাজতে প্ৰবীন প্ৰজন্মৰ কাষে কাষে নতুন প্ৰজন্মৰ সৃষ্টি হৈ থাকে। প্ৰবীন আৰু নবীনৰ সমষ্টিয়ে সমাজ।

নৈতিকতা আৰু মানৱীয় প্ৰমূল্য ব্যক্তি তথা সমাজ জীৱনৰ ধৰণী স্বৰূপ। দুয়োটাই সনাতন। ব্যক্তিত্ব গঠন আৰু সমাজক সুস্থ ৰূপত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত নৈতিকতা আৰু মানৱীয় প্ৰমূল্যই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাধাৰণতে আচাৰ, ব্যৱহাৰ, আচৰণৰনিয়ম অৰ্থাৎ নিজৰ বা সমাজৰ উপকাৰ হোৱা বা সমাজৰ অপকাৰ নোহোৱা কাৰ্যই নৈতিকতা। মানৱ প্ৰীতিৰআদৰ্শই হ'ল মানৱীয় প্ৰমূল্য।

নতুন প্ৰজন্মৰ ভাল-বেয়া কাৰ্যৰ বিষয়ে আলোচনা কৰাৰ সময়ত স্বাভাৱিক ভাবেই প্ৰবীন প্ৰজন্মৰ কথা আহি পৰে। আজিৰ প্ৰবীন সকলো এটা সময়ত নবীন আছিল। নতুন প্ৰজন্মৰ ধাৰণাটো এক ধাৰাবাহিক প্ৰক্ৰিয়া। কাজেই নবীন -প্ৰবীনৰ মাজৰ সীমাৰেখা স্পষ্ট নহয়। সেয়া যিয়েই নহওঁক, বৰ্তমানৰ নৱ প্ৰজন্মৰ গৰিষ্ঠ সংখ্যকে ষোল অনাই নৈতিকতা বা মানবীয় প্ৰমূল্য সমূহ ধৰি ৰাখিব পাৰিছে বুলি কব নোৱাৰি। এই দিশত কেৱল নৱ প্ৰজন্মকে জগৰীয়া কৰিলে সেয়াও নিৰ্মোহ বিচাৰ নহ'ব। তেওঁলোক প্ৰবীন সকলৰে সন্তান। প্ৰবীন সকলক বাদ দি তেওঁলোকে এখন দ্বীপসদৃশ দেশত, এখন বেলেগ সমাজত বাস কৰা নাই। সমাজত যিবোৰ ঘটনা হয় সেই বিলাকৰ প্ৰতিফলনহে হয় তেওঁলোকৰ চাৰিত্ৰিক বৈশিষ্ট্যত।

নৱ প্ৰজন্মৰ মাজত যদি নৈতিকতা, মানৱীয় প্ৰমূল্যৰ অৱক্ষয় হৈছে তেন্তে তাৰ বাবে বহু পৰিমাণে জগৰীয়া প্ৰবীন সকল। নৱ প্ৰজন্মই যি নেতিবাচক কথা আয়ত্ব কৰিছে, দৰাচলতে তাক শিকোৱা হৈছে। তেওঁলোকে জন্মৰ লগে লগেই এইবোৰ শিকি অহা নাই। শিক্ষানুষ্ঠান সমূহতো উচিতভাবে শিক্ষাদান হোৱা নাই। দুই এজনৰ বাদে সৰহ সংখ্যকেই আজি ছাত্ৰসকলক যিকোনো প্ৰকাৰে মানুহক শোষণ কৰিব পৰা নাইবা কোনো বিলাসী বৃত্তিৰে সমাজত স্থিতি লবলৈ উপদেশ দিয়ে।নিজে আশ্ৰয় লয় আত্মকেন্দ্ৰিকতাৰ বৃত্তৰ মাজত। নাই কোনো বৌদ্ধিক বিনিময়।

উত্তৰ ঃ- আধুনিক বাস্তৱ জগতত পুৰণি ঐতিহ্য আৰু পৰম্পৰাক সামাজিক সাংস্কৃতিক দিশত সম্পূৰ্ণভাবে ধৰি ৰাখিব পৰা নাই। পৰিবৰ্তন আহিছে। বহুতৰ ধাৰণা আধুনিক হোৱা মানে পৰম্পৰাৰ পৰা বিচ্ছিন্ন হোৱা। ধাৰণাটো সম্পূৰ্ণ শুদ্ধ নহয়। ঐতিহ্য আৰু পৰম্পৰা কোনো স্থিৰ বা স্থবিৰ বস্তু নহয়। পৰম্পৰা আৰু আধুনিকতাৰ মাজত কোনো বিৰোধ নাই। আধুনিক বস্তুকো পৰম্পৰাই সামৰি লয়। কিন্তু সেইবুলিয়েই পাশ্চাত্য সভ্যতাই একমাত্ৰ আধুনিক নহয়। আমি আমাৰ বেয়াখিনিক আঁতৰাই ভালখিনি ৰাখিবই লাগিব। তাকে নকৰিলে সুকীয়া অস্তিত্ব নাথাকিব। আমাৰ সামাজিক দিশেই হওঁক বা সাংস্কৃতিক দিশেই হওঁক নিজস্ব বৈশিষ্ট্য বিলাক ৰক্ষা কৰি চলিব লাগিব। আচলতে আধুনিকতা থাকে মনৰ চিন্তাত, মানসিকতাত।